# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
0000000000

**Date :** 05-08-2024
**Time :** 19.10 hrs

## *Assamese Evening Bulletin*
**HEADLINES**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে দুদিনীয়া ফিজি ভ্ৰমণসূচীৰে আজি নাদিত উপস্থিত হৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, আজি সংসদে ৩৭০ আৰু ৩৫-এ অনুচ্ছেদ বাতিল কৰাৰ সিদ্ধান্ত লৈছে।

৩। প্ৰতিবেশী ৰাষ্ট্ৰ বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাই পদত্যাগ কৰি গৃহ দেশ ত্যাগ কৰিছে। দেশখনত ছাত্ৰ সংগঠনৰ প্ৰতিবাদী কাৰ্যসূচীয়ে হিংসাত্মক পৰিস্থিতিৰ ৰূপ লৈছে।

৪। কেন্দ্ৰীয় কয়লা আৰু খনি মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে কয় যে, দেশত ২০২৩-২৪ বৰ্ষত কয়লাৰ উৎপাদন ৯৯৮ মিলিয়ন টনলৈ বৃদ্ধি পাইছে। ***আৰু***

৫। পেৰিছ অলিম্পিকত আজি মহিলাৰ টেবল টেনিছৰ দলীয় ইভেণ্টত ভাৰতীয় দলটোৱে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। বেডমিণ্টনত লক্ষ্য সেনে ছেমি ফাইনেলত অৱতীৰ্ণ হৈছে।

০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে দুদিনীয়া ফিজি ভ্ৰমণসূচী লৈ আজি নাদিত উপস্থিত হৈছে। এয়া হৈছে কোনো এগৰাকী ভাৰতীয় ৰাষ্ট্ৰপতিৰ প্ৰথমটো ফিজি ভ্ৰমণ। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুক নাদিত উপস্থিত হোৱাৰ পাছত ফিজিৰ উপ প্ৰধানমন্ত্ৰী ৰিলিয়েম গাৰ'কা আৰু ফিজিৰ ভাৰতীয় উচ্চায়ুক্ত পি এছ কাৰ্থিগিয়ানে আদৰণি জনায়।

ৰাষ্ট্ৰপতিগৰাকীয়ে এই ভ্ৰমণৰ প্ৰথম পৰ্যায়ত আজিৰে পৰা ৭ আগষ্টলৈ ফিজি ভ্ৰমণ কৰিব। বিদেশ পৰিক্ৰমা মন্ত্ৰ্যালয়ে কৈছে যে, এই ভ্ৰমণে দুয়োখন দেশৰ মাজৰ ঐতিহাসিক সম্পৰ্কক অধিক সুদৃঢ় কৰিব। এই ভ্ৰমণকালত শ্ৰীমতী মুৰ্মুৰে ফিজিৰ ৰাজধানী ছুৱাত দেশখনৰ ৰাষ্ট্ৰপতি কাটনিভেৰে আৰু প্ৰধানমন্ত্ৰী চিটীভেনি ৰাবুকাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। তেওঁ ফিজিৰ সংসদত ভাষণ দিয়াৰ লগতে সমূহীয়া মত বিনিময় অনুষ্ঠানতো অংশগ্ৰহণ কৰিব। ৰাষ্ট্ৰপতিগৰাকীয়ে ছুৱাৰ গান্ধী মেম'ৰিয়েল কলেজ পৰিদৰ্শন কৰাৰ লগতে নাদিৰ শ্ৰী শিৱা সুব্ৰমনিয়া স্বামী মন্দিৰো দৰ্শন কৰিব। ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত শ্ৰীমতী মুৰ্মুৰে ৮ আৰু ৯ আগষ্টত নিউজিলেণ্ড ভ্ৰমণ কৰিব। তাত তেওঁ দ্বিপাক্ষিক আলোচনাত মিলিত হোৱাৰ লগতে ৱেলিংটনত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় শিক্ষা সন্মিলনত ভাষণ দিব। তদুপৰি তেওঁ অ'কলেণ্ডত আয়োজিত এটা সমূহীয়া অভ্যৰ্থনা অনুষ্ঠানত প্ৰৱাসী ভাৰতীয় আৰু ভাৰতৰ মিত্ৰসকলৰ সৈতে মত বিনিময় কৰিব। শ্ৰীমতী মুৰ্মু এই ত্ৰিদেশীয় ভ্ৰমণৰ অন্তিম পৰ্যায়ত টিম'ৰলেষ্টত উপস্থিত হ'ব আৰু দেশখনৰ ৰাজধানী দিলিত দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব আৰু দেশখনত বাস কৰা ভাৰতীয়সকলে আয়োজন কৰা অভ্যৰ্থনা অনুষ্ঠানত ভাগ ল'ব। ৰাষ্ট্ৰপতি মুৰ্মুৰ এই ত্ৰিদেশীয় ভ্ৰমণে ভাৰতৰ পূৰ্বৰ

নীতিত গতি প্ৰদান কৰিব তথা দক্ষিণ পূৱ এছিয়া আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলত বিশেষ গুৰুত্ব আৰোপৰ নীতি সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জম্মু-কাশ্মীৰ আৰু লাডাখৰ জনসাধাৰণৰ আশা আকাংক্ষা পূৰণৰ বাবে অনাগত দিনত কাম কৰি যাব বুলি মন্তব্য কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয় যে, আজি সংসদে ৩৭০ আৰু ৩৫-এ অনুচ্ছেদ বাতিল কৰাৰ সিদ্ধান্ত লৈছে। এই সিদ্ধান্ত জাতিটোৰ ইতিহাসত এক স্মৰণীয় দিন হিচাপে পৰিগণিত হৈছে। তেওঁ লগতে কয় যে, জম্মু-কাশ্মীৰ আৰু লাডাখৰ প্ৰগতি আৰু সমৃদ্ধিৰ ই এক নতুন অধ্যায়। এই অনুচ্ছেদ বাতিলৰ লগে লগে উন্নয়নত বঞ্চিত হোৱা মহিলাসকলৰ নিৰাপত্তা, যুৱক-যুৱতী, পিছপৰা জনজাতীয় লোকসকল অনাগত দিনত উপকৃত হব বুলি আশা প্ৰকাশ কৰিছে।

০০০

প্ৰতিবেশী ৰাষ্ট্ৰ বাংলাদেশত ছাত্ৰ সংগঠনৰ প্ৰতিবাদী কাৰ্যসূচীক কেন্দ্ৰ কৰি উদ্ভৱ হোৱা হিংসাত্মক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত দেশখনৰ বিভিন্ন স্থানত অনিৰ্দিষ্টকালৰ বাবে সান্ধ্য আইন জাৰি কৰাৰ লগতে মোবাইল ইণ্টাৰনেট সেৱাও বন্ধ কৰা হৈছে। জানিব পৰা মতে প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই পদত্যাগ কৰি এখন সেনাৰ হেলিকপ্টাৰযোগে দেশ এৰি উৰা মাৰিছে। দেশখনৰ সেনাপ্ৰধান ৱাকাৰ উজ জামানে টেলিভিছনযোগে দেশৰ জনসাধাৰণক সম্বোধি তাৎক্ষণিকভাৱে দেশখন পৰিচালনাৰ বাবে এখন অন্তৰ্বৰ্তী চৰকাৰ গঠন কৰা হ'ব বুলি ঘোষণা কৰিছে। সেনাপ্ৰধানগৰাকীয়ে কয় যে, তেওঁ সম্পূৰ্ণ দায়িত্বসহকাৰে এই অন্তৰৰ্তী চৰকাৰ গঠন সন্দৰ্ভত ৰাষ্ট্ৰপতিৰ সৈতে আলোচনা কৰিব। বাংলাদেশৰ সেনাপ্ৰধানগৰাকীয়ে জনসাধাৰণক ধৈৰ্য সহকাৰে শান্তি আৰু সম্প্ৰীতি বৰ্তাই ৰাখিবলৈ আহ্বান জনাইছে। বাংলাদেশৰ সংবাদমাধ্যমত প্ৰকাশ পোৱা তথ্য অনুসৰি অসংখ্য প্ৰতিবাদকাৰীয়ে প্ৰধানমন্ত্ৰীগৰাকীৰ চৰকাৰী বাসভৱন, গণভৱন ঘেৰাও কৰি পেলোৱাৰ বাবে প্ৰধানমন্ত্ৰীগৰাকীয়ে সুৰক্ষিত স্থান অভিমুখে ৰাওনা হৈছে। উল্লেখযোগ্য যে কালি দেশখনত প্ৰতিবাদকাৰী আৰু আৰক্ষীৰ মাজত লগা সংঘৰ্ষত কমেও ১০০ জন লোক নিহত হোৱাৰ লগতে সহস্ৰাধিক লোক আহত হৈছে। ছাত্ৰসকলে ১৯৭১ চনত পাকিস্তানৰ বিৰুদ্ধে বাংলাদেশৰ স্বাধীনতা যুদ্ধৰ সংগ্ৰামী সকলৰ পৰিয়াল বা আত্মীয়ৰ বাবে চৰকাৰী চাকৰিত ৩০ শতাংশ সংৰক্ষণৰ বিৰোধিতা কৰি প্ৰতিবাদ সাব্যস্ত কৰিছিল। প্ৰতিবাদকাৰীসকলে এই সংৰক্ষণ ব্যৱস্থা বৈষম্যমূলক বুলি অভিযোগ তোলাৰ লগতে এই ব্যৱস্থাই প্ৰধানমন্ত্ৰী হাছিনাৰ আৱামী লীগ পাৰ্টিৰ সমৰ্থকসকলহে উপকৃত কৰি আহিছিল বুলি অভিযোগ উত্থাপন কৰিছিল। তেওঁলোকে এই সংৰক্ষণৰ পৰিবৰ্তে মেধাভিত্তিক নিযুক্তি ব্যৱস্থাৰ দাবী তুলিছিল। ১৯৭২ চনত প্ৰৱৰ্তন কৰা এই সংৰক্ষণ ব্যৱস্থা ২০১৮ চনত প্ৰত্যাহাৰ কৰা হৈছিল যদিও দেশৰ উচ্চ ন্যায়ালয়ৰ এটা নিৰ্দেশমৰ্মে এমাহ পূৰ্বে পুনৰ এই ৩০ শতাংশ বাহাল ৰাখিবলৈ কোৱাৰ প্ৰস্তাৱে প্ৰতিবাদৰ সূত্ৰপাত হৈছিল। উচ্চতম ন্যায়ালয়ে যোৱা ২১ জুলাইত এই সংৰক্ষণ ৫ শতাংশলৈ হ্ৰাস কৰাৰ ফলত প্ৰতিবাদী কাৰ্যসূচী স্থগিত ৰখা হৈছিল যদিও চৰকাৰে তেওঁলোকৰ সকলো নেতাক মুকলি কৰি দিয়াৰ আহ্বান আওকান কৰাৰ পৰিপ্ৰেক্ষিতত তেওঁলোকে প্ৰধানমন্ত্ৰীৰ পদত্যাগৰ দাবী তোলে।

ইফালে বাংলাদেশৰ শেহতীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ভাৰত-বাংলাদেশ সীমান্তত উচ্চ সতৰ্কতা জাৰি কৰা হৈছে। তদুপৰি সীমান্ত অঞ্চলত নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰাৰ লগতে অতিৰিক্ত বাহিনী মোতায়েন কৰা হৈছে।

একেদৰে মুৰ্চিদাবাদৰ উন্মুক্ত সীমান্তত চোকা দৃষ্টি ৰখা হৈছে। পদ্মাৰ লগতে অন্যান্য নদী সীমান্তত বি এছ এফে চোকা পহৰা অব্যাহত ৰাখিছে।

০০০

কেন্দ্ৰই আজি কয় যে, যোৱা বছৰৰ এই একেই সময়ছোৱাত দেশত কয়লা উৎপাদন ২০২৩-২৪ চনত ১১ দশমিক ৭-১ শতাংশ বৃদ্ধি পঞ্জীয়ন কৰা হৈছে। ৰাজ্যসভাত এটা লিখিত উত্তৰত কেন্দ্ৰীয় কয়লা আৰু খনি মন্ত্ৰী জি কিশাণ ৰেড্ডীয়ে কয় যে, ২০২৩-২৪ বৰ্ষৰ সময়ছোৱাত কয়লাৰ উৎপাদন ৯৯৮ মিলিয়ন টন হোৱাৰ বিপৰীতে ২০২২-২৩ বৰ্ষৰ ভিতৰত কয়লাৰ উৎপাদন ৮৯০ মিলিয়ন টন হৈছে। তেওঁ কয় যে চলিত বিত্তীয় বৰ্ষত দেশত জুন মাহলৈকে ২৪৭ মিলিয়ন টন কয়লা উৎপাদন হৈছে। যিটো যোৱা বছৰৰ একেই সময়ছোৱাত ২২৩ মিলিয়ন টন কয়লা উৎপাদন হৈছিল আৰু ১০ দশমিক ৭-৫ শতাংশ বৃদ্ধি পঞ্জীয়ন কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে কয় যে, ২০২৩ চনৰ এপ্ৰিল মাহলৈকে ভাৰতত প্ৰায় ২০০ বিলিয়ন টন প্ৰমাণিত কয়লা মজুত আছে। তেওঁ আৰু কয় যে, ভাৰতৰ বাবে শক্তিৰ উৎসৰ ৫০ শতাংশতকৈ অধিক উৎস আছে।

০০০

কেন্দ্ৰীয় বিত্ত ৰাজ্য মন্ত্ৰী পংকজ চৌধাৰীয়ে আজি কৈছে যে, গ্ৰামাঞ্চলত ভূমি পৰ্যায়ৰ ঋণ ২০১৪ বৰ্ষৰ ৭ দশমিক ৩ লাখ কোটি টকাৰ পৰা ২০২৪ বৰ্ষত জনসাধাৰণৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ২৫ দশমিক ৪-৬ লাখ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। লোকসভাত আজি এটা পৰিপূৰক প্ৰশ্ন উত্তৰত মন্ত্ৰীগৰাকীয়ে সদনত অৱগত কৰে যে, কিষাণ ক্ৰেডিট কাৰ্ডৰ অধীনত কৃষকসকলক ৪ দশমিক ২-৬ লাখ কোটি টকা শস্য ঋণ প্ৰদান কৰাৰ বিপৰীতে ২০২৪ বৰ্ষত এই সংখ্যা ৯ দশমিক ৮-২ লাখ কোটিলৈ বৃদ্ধি পাইছে। শ্ৰী চৌধাৰীয়ে কয় যে, কৃষকৰ কল্যাণ আৰু কৃষি উৎপাদিত সামগ্ৰীৰ বৃদ্ধিৰ বাবে চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ লগতে কয় যে, প্ৰধানমন্ত্ৰী জন ধন আঁচনিৰ অধীনত আৰ্থিক অন্তৰ্ভুক্তি নিশ্চিত কৰিবলৈ ৫২ কোটিৰো অধিক একাউণ্ট মুকলি কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে, চৰকাৰে যুৱ প্ৰজন্মৰ বাবে মুদ্ৰা আঁচনি আৰু ষ্টাৰ্টআপ ইণ্ডিয়াকে ধৰি বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। কেন্দ্ৰীয় বাজেটত যুৱক-যুৱতীসকলৰ বাবে **ইণ্টাৰ্ণশ্বিপ আঁচনি** আৰু **মুদ্ৰা আঁচনিৰ** অধীনত ঋণৰ সুবিধা ১০ লাখৰ পৰা ২০ লাখলৈ বৃদ্ধি কৰা হৈছে বুলিও মন্ত্ৰী চৌধাৰীয়ে জানিবলৈ দিয়ে।

০০০

কেন্দ্ৰীয় চৰকাৰে পেৰিছ অলিম্পিক ২০২৪ স্মাৰক ডাক টিকট মুকলি কৰিব বুলি ঘোষণা কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ডাক বিভাগে কয় যে, স্মাৰক ডাক টিকটৰ ছেট আজি মুকলি কৰা হ'ব। কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া আৰু কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব। যোগাযোগ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে নতুনকৈ মুকলি কৰা ডাক টিকট অলিম্পিক আৰু খেলুৱৈসকলৰ প্ৰতি ভাৰতবাসীৰ উৎসাহ আৰু সমৰ্থনৰ প্ৰতীক হিচাপে পৰিগণিত হ'ব। এই পদক্ষেপে কেৱল অলিম্পিক উদযাপন কৰাই নহয় দেশৰ যুৱ ক্ৰীড়াপ্ৰেমী সকলকো উৎসাহিত কৰিব বুলি মন্ত্ৰালয়ে লগতে প্ৰকাশ কৰে।

০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাৱলিক স্পীকত আজি নিশা চাৰে ৯ বজাত দক্ষতা বিকাশ আৰু উদ্যমিতা মন্ত্ৰালয়ৰ সচিব অতুল কুমাৰ তিৱাৰী আৰু ৰাষ্ট্ৰীয় দক্ষতা বিকাশ নিগমৰ মুখ্য কাৰ্যবাহী

বিষয়া তথা এন এছ ডি চি আন্তঃৰাষ্ট্ৰীয়ৰ ব্যৱস্থাপনা সঞ্চালক বেদ মণি তিৱাৰীৰ সৈতে **দক্ষ ভাৰতৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰচেষ্টা** সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব।

০০০

পেৰিছ্ অলিম্পিকত আজি মহিলাৰ টেবুল টেনিছৰ দলীয় ইভেণ্টত ভাৰতৰ মণিকা বাট্ৰা, শ্ৰীজা আকুলা আৰু অৰ্চনা কামাথে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ৰোমানিয়াৰ মহিলা দলক ৩-২ত পৰাজিত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আনহাতে শ্যুটিঙত স্কিট মিক্সড দলীয় শাখাত মহেশ্বৰী চৌহান আৰু অনন্তজিৎ সিং নাৰুকা ব্যৰ্থ হৈছে। যুটীটোৱে চীনৰ প্ৰতিপক্ষৰ বিৰুদ্ধে ব্ৰঞ্জৰ পদকৰ বাবে খেলত অৱতীৰ্ণ হৈছে। ইফালে বেডমিণ্টনৰ পুৰুষৰ ছিংগলছত লক্ষ্য সেনে মালয়েছিয়াৰ জি জিয়া লিৰ বিৰুদ্ধে ব্ৰঞ্জৰ পদকৰ বাবে অৱতীৰ্ণ হৈছে। কালিৰ ছেমি ফাইনেলত লক্ষ্য সেনে ডেনমাৰ্কৰ ভিক্টৰ এক্সেলচেনৰ হাতত ২০-২২, ১৪-২১ পোনপটীয়া ছেটত পৰাজয় বৰণ কৰে। উল্লেখযোগ্য যে, অলিম্পিকত ছেমি ফাইনেল পৰ্যায়ত খেলা লক্ষ্য সেন হৈছে ভাৰতৰ প্ৰথমগৰাকী পুৰুষ বেডমিণ্টন খেলুৱৈ।

০০০

সমাপ্ত